ভাৰত চৰকাৰ
বিধি আৰু ন্যায় মন্ত্ৰালয়

# হিন্দু নাবালকতা আৰু অভিভাৱকত্ব অধিনিয়ম, ১৯৫৬

(১৯৫৬ ৰ ৩২ নং অধিনিয়ম)

[১ এপ্ৰিল, ১৯৯০ তাৰিখে যথা বিদ্যমান]

# The Hindu Minority And Guardianship Act, 1956

(Act No. 32 of 1956)

[As on the 1st April, 1990]

ভাৰত চৰকাৰৰ হকে, অসম চৰকাৰ (বিধান বিভাগ) ৰ দ্বাৰা প্ৰকাশিত আৰু
অসম চৰকাৰী ছপাশালত মুদ্ৰিত, গুৱাহাটী - ২১

## পাতনি

১ এপ্ৰিল, ১৯৯০ তাৰিখে যথা বিদ্যমান হিন্দু নাবালকতা আৰু অভিভাৱকত্ব অধিনিয়ম, ১৯৫৬ (১৯৫৬ৰ ৩২ নং)ৰ এই সংস্কৰণত এই অধিনিয়মৰ অসমীয়াত প্ৰাধিকৃত অনুবাদ আছে আৰু এই অসমীয়া অনুবাদ ৭/৯/১৯৯০ তাৰিখৰ ভাৰতৰ ৰাজপত্ৰ, অসাধাৰণ, ভাগ—৬, অনুভাগ—১, নং ১, খণ্ড ১ৰ পৃষ্ঠা ২৮ৰ পৰা ৩২ত প্ৰকাশিত হৈছিল ।

প্ৰাধিকৃত পাঠ (কেন্দ্ৰীয় বিধি) অধিনিয়ম, ১৯৭৩ ৰ ধাৰা ২ৰ খণ্ড (ক)ৰ অধীনত ৰাষ্ট্ৰপতিৰ প্ৰাধিকাৰাধীনে অসমীয়াত এই প্ৰাধিকৃত অনুবাদ প্ৰকাশ কৰা হৈছিল আৰু এনেদৰে প্ৰকাশ হোৱাত অসমীয়াত এই অধিনিয়মৰ প্ৰাধিকৃত পাঠৰূপে গণ্য হব ।

## PREFACE

This edition of the Hindu Minority and Guardianship Act, 1956 (32 of 1956) as on the 1st April, 1990 contains the authorised translation of that Act in Assamese and the same was published in the Gazette of India, Extraordinary, part VI, Section 1, No. 1, Vol. 1 dated 7th September, 1990 on pages 28 to 32.

This authorised translation in Assamese was published under the Authority of the President under clause (a) of section 2 of the Authoritative Texts (Central Laws) Act, 1973 and on such publication, it became the authoritative texts of the Act in Assamese.

New Delhi
Date 22-10-90

V. S. RAMA DEVI,
Secretary to the Govt. of India.

## হিন্দু নাবালকত্ব আৰু অভিভাৱকত্ব অধিনিয়ম, ১৯৫৬

### ধাৰা সমূহৰ ক্ৰম

ধাৰাসমূহ


১। সংক্ষিপ্ত নাম আৰু বিস্তাৰ।

২। এই অধিনিয়ম ১৮৯০ চনৰ ৮ নং অধিনিয়মৰ পৰিপূৰক হব।

৩। অধিনিয়মৰ প্ৰয়োগ।

৪। পৰিভাষা।

৫। অধিনিয়মৰ অধ্যাৰোহী কাৰ্যকৰিতা।

৬। হিন্দু নাবালকৰ নৈসৰ্গিক অভিভাৱক।

৭। তোলনীয়া পুত্ৰৰ নৈসৰ্গিক অভিভাৱক।

৮। নৈসৰ্গিক অভিভাৱকৰ ক্ষমতা।

৯। উইলৰ দ্বাৰা নিযুক্ত অভিভাৱক আৰু তেওঁলোকৰ ক্ষমতাৱলী।

১০। সম্পত্তিৰ অভিভাৱক হিচাবে কাম কৰিবলৈ নাবালকৰ ক্ষমতা।

১১। বস্তুতঃ অভিভাৱকে নাবালকৰ সম্পত্তি লেন দেন নকৰিব।

১২। যৌথ পৰিয়ালৰ সম্পত্তিত নাবালকৰ অবিভক্ত স্বাৰ্থৰ বাবে কোনো অভিভাৱক নিযুক্ত নকৰিব।

১৩। নাবালক এজনৰ কল্যাণেই সৰ্বোচ্চ বিবেচনা হব।

# হিন্দু নাবালকতা আৰু অভিভাৱকত্ব অধিনিয়ম, ১৯৫৬

(১৯৫৬ চনৰ ৩২ নং)

(১ এপ্ৰিল, ১৯৯০ তাৰিখে যথা বিদ্যমান)

[২৫ আগষ্ট, ১৯৫৬]

হিন্দু সকলৰ মাজত চলিত নাবালকতা আৰু অভিভাৱকত্ব সম্পৰ্কীয় আইনৰ নিৰ্দিষ্ট কিছুমান অংশৰ সংশোধন আৰু সংহিতাবদ্ধ কৰণাৰ্থে এখন অধিনিয়ম।

ভাৰত গণৰাজ্যৰ সপ্তম বৰ্ষত নিম্নলিখিতভাৱে সংসদৰ দ্বাৰা অধিনিয়মিত হ'ল ঃ—

সংক্ষিপ্ত নাম আৰু বিস্তাৰ।

১। (১) এই অধিনিয়মক হিন্দু নাবালকতা আৰু অভিভাৱকত্ব অধিনিয়ম, ১৯৫৬ বুলিব পাৰি।

(২) ইয়াৰ বিস্তাৰ জম্মু আৰু কাশ্মীৰ ৰাজ্যৰ বাহিৰে সমগ্ৰ ভাৰততে হব আৰু এই অধিনিয়ম যিবিলাক ৰাজ্য ক্ষেত্ৰলৈ বিস্তৃত সেই ৰাজ্য ক্ষেত্ৰৰ বাহিৰত থকা সেই ৰাজ্য ক্ষেত্ৰত অধিবাসিত হিন্দু সকলৰ ক্ষেত্ৰতো ইয়াৰ প্ৰয়োগ হব।

এই অধিনিয়ম ১৮৯০ চনৰ ৮ নং অধিনিয়মৰ পৰিপূৰক হব।

২। এই অধিনিয়মৰ উপবন্ধ সমূহ ১৮৯০ ৰ অভিভাৱক আৰু প্ৰতিপাল্য অধিনিয়মৰ উপৰি হ'ব আৰু ইয়াৰ পিচত ব্যক্তভাৱে উপবন্ধিত ক্ষেত্ৰৰ বাহিৰে কোনো ক্ষেত্ৰত তাৰ তুচ্ছাৰ্থে নহব।

অধিনিয়মৰ প্ৰয়োগ।

৩। (১) নিম্নলিখিত সমূহত ইয়াৰ প্ৰয়োগ হব ঃ—

(ক) যিকোনো ব্যক্তি যি বিৰাশ্বৈৰ, লিঙ্গায়ত নাইবা ব্ৰাহ্ম, প্ৰাৰ্থনা অথবা আৰ্য সমাজৰ অনুগামী সকলকে ধৰি যিকোনো ৰূপ বা বিকাশ অনুযায়ী হিন্দু ধৰ্মাৱলম্বী।

(খ) যিকোনো ব্যক্তি যি বৌদ্ধ, জৈন বা শিখধৰ্মী, আৰু

(গ) এই অধিনিয়ম বিস্তৃত হোৱা ৰাজ্য ক্ষেত্ৰত অধিবাসিত আন যিকোনো ব্যক্তি যি মুছলমান, খৃষ্টীয়ান, পাৰ্চী বা ইহুদী ধৰ্মাৱলম্বী নহয়; যদিহে এইটো প্ৰমাণিত নহয় যে এই অধিনিয়ম পাৰিত নকৰা হলে তেনে কোনো ব্যক্তি ইয়াত বিবেচনা কৰা যিকোনো বিষয় বাবদ হিন্দু আইন বা সেই আইনৰ অংশস্বৰূপে কোনো প্ৰথা বা ৰীতিৰ দ্বাৰা শাসিত নহ'লহেতেন।

স্পষ্টীকৰণঃ— নিম্নলিখিত ব্যক্তিসকল ক্ষেত্ৰানুযায়ী হিন্দু, বৌদ্ধ জৈন বা শিখ ধৰ্মাৱলম্বীঃ—

(i) বৈধই হওক বা অবৈধই হওক যিকোনো সন্তান যাৰ পিতা মাতা দুয়ো হিন্দু, বৌদ্ধ বা জৈন বা শিখ ধৰ্মাৱলম্বী;

(ii) বৈধই হওক বা অবৈধই হওক যি কোনো সন্তান যাৰ পিতা মাতাৰ যি কোনো এজন হিন্দু, বৌদ্ধ, জৈন বা শিখ ধৰ্মাৱলম্বী আৰু তেনে পিতা মাতা যি সম্প্ৰদায়, থূপ বা পৰিয়ালৰ অংগ আছিল সিবিলাকৰ এজন হিচাবে যি ডাঙৰ দীঘল হয় ; আৰু

(iii) যি কোনো ব্যক্তি যি হিন্দু, বৌদ্ধ, জৈন বা শিখধৰ্মলৈ ধৰ্মান্তৰিত বা পুনঃধৰ্মান্তৰিত হৈছে ।

(২) উপধাৰা (১) ত যিহকে নাথাকক লাগে, এই অধিনিয়মৰ অন্তৰ্গত একোৱেই সংবিধানৰ ৩৬৬ অনুচ্ছেদৰ (২৫) খণ্ডৰ অৰ্থৰ ভিতৰত অনুসূচিত জনজাতীয় লোকৰ ওপৰত প্ৰয়োগ নহব যদিহে কেন্দ্ৰীয় চৰকাৰে ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা অন্যভাৱে নিৰ্দেশ নিদিয়ে ।

(৩) এই অধিনিয়মৰ যি কোনো অংশত 'হিন্দু' অভিব্যক্তিৰ এনেভাৱে অৰ্থ কৰা হব যেন ই তেনে এজন ব্যক্তিকো সামৰিব যাৰ ওপৰত, যদিও তেওঁ হিন্দু ধৰ্মাৱলম্বী নহয় তথাচ, এই ধাৰাত অন্তৰ্বিষ্ট উপবন্ধ, সমূহৰ গুণে এই অধিনিয়মখন খাটে ।

পৰিভাষা ।

৪। এই অধিনিয়মত—

(ক) 'নাবালকে' এনে ব্যক্তিক বুজায় যাৰ বয়স ওঠৰ বছৰ সম্পূৰ্ণ হোৱা নাই ;

(খ) 'অভিভাৱকে' নাবালকৰ শৰীৰ বা সম্পত্তি বা শৰীৰ আৰু সম্পত্তি দুয়োটাই যাৰ তত্ত্বাবধানত থাকে তেনে ব্যক্তিক বুজায় আৰু নিম্নলিখিত বিলাক ইয়াৰ ভিতৰত পৰে—

(i) নৈসৰ্গিক অভিভাৱক,

(ii) নাবালকৰ পিতা বা মাতাৰ উইলৰ দ্বাৰা নিযুক্ত অভিভাৱক,

(iii) আদালতৰ দ্বাৰা নিযুক্ত বা ঘোষিত অভিভাৱক, আৰু

(iv) কোনো প্ৰতিপাল্য অধিকৰণৰ দ্বাৰা কোনো অধিনিয়ম দ্বাৰা বা অধীনে অভিভাৱক হিচাবে কাৰ্য কৰিবলৈ ক্ষমতাৰ্পিত কোনো ব্যক্তি ;

(গ) 'নৈসৰ্গিক অভিভাৱকে' ধাৰা ৬ত উল্লিখিত যিকোনো অভিভাৱকক বুজায় ।

অধিনিয়মৰ অধ্যাৰোহী কাৰ্যকাৰিতা ।

৫। এই অধিনিয়মত ব্যক্তভাৱে অন্যাথা উপবন্ধিত হোৱাৰ ব্যতিৰেকে,—

(ক) এই অধিনিয়মত উপবন্ধ কৰা হৈছে তেনে বিষয়ৰ সম্পৰ্কত এই অধিনিয়মৰ প্ৰাৰম্ভণৰ আগতে বলবৎ থকা হিন্দু আইনৰ বা সেই আইনৰ অংশ স্বৰূপ কোনো প্ৰথা বা ৰীতিৰ কোনো পাঠ, নিয়ম অথবা অৰ্থকৰণৰ কাৰ্যকাৰিতা নোহোৱা হ'ব ।

(খ) এই অধিনিয়ম প্ৰাৰম্ভৰ অব্যৱহিত পূৰ্বে বলবৎ থকা অন্য যিকোনো আইন যিমানখিনিলৈকে এই অধিনিয়মৰ অন্তৰ্গত উপবন্ধ সমূহৰ লগত অসঙ্গত সিমানখিনিলৈকে কাৰ্যকাৰিতা নোহোৱা হব ।

হিন্দু নাবালকৰ নৈসৰ্গিক অভিভাৱক ।

৬। নাবালকৰ শৰীৰৰ বিষয়ত আৰু নাবালকৰ সম্পত্তিৰ বিষয়ত যৌথ পৰিয়ালৰ সম্পত্তিত তাৰ বা তাইৰ অবিভক্ত স্বাৰ্থ বাদ দি হিন্দু নাবালকৰ নৈসৰ্গিক অভিভাৱক হ'ল —

(ক) ল'ৰা বা অবিবাহিতা ছোৱালীৰ ক্ষেত্ৰত পিতা, আৰু তেওঁৰ পিচত, মাতা ঃ পৰন্তু পাঁচ বছৰ বয়স পূৰ নোহোৱা এক নাবালকৰ জিম্মা সচৰাচৰে মাকৰ লগত থাকিব ;

(খ) অবৈধ লৰা বা অবিবাহিতা অবৈধ ছোৱালীৰ ক্ষেত্ৰত—মাতা, বা তেওঁৰ পিচত পিতা ;

(গ) বিবাহিতা ছোৱালীৰ ক্ষেত্ৰত স্বামী ঃ পৰন্তু এই ধাৰাৰ উপবন্ধ সমূহৰ অধীনে নৈসৰ্গিক অভিভাৱক–হিচাবে কাম কৰিবলৈ কোনো ব্যক্তি স্বত্ববান নহব —

(ক) যদি তেওঁ হিন্দু হৈ থকা নাই, বা

(খ) যদি বানপ্ৰস্থ বা যতি বা সন্যাসী হৈ তেওঁ সম্পূৰ্ণ ভাবে আৰু চূড়ান্ত কৈ সংসাৰ ত্যাগ কৰে ।

স্পষ্টীকৰণ ঃ— এই ধাৰাত 'পিতা আৰু মাতা' অভিব্যক্তিৰ ভিতৰত উপপিতা বা মাহীআই নপৰে ।

তোলনীয়া পুত্ৰৰ নৈসৰ্গিক অভিভাৱক ।

৭। নাবালক হৈ থকা তোলনীয়া পুত্ৰৰ নৈসৰ্গিক অভিভাৱকত্ব তুলি লোৱাৰ লগে লগে তোলনীয়া পিতাকলৈ আৰু তেওঁৰ পিচত তোলনীয়া মাকলৈ গুচি যায় ।

নৈসৰ্গিক অভিভাৱকৰ ক্ষমতা ।

৮। (১) হিন্দু নাবালকৰ নৈসৰ্গিক অভিভাৱকৰ, এই ধাৰাৰ উপবন্ধ সমূহ সাপেক্ষে, নাবালকৰ উপকাৰাৰ্থে বা নাবালকৰ বিভূতিৰ উচলকৰণ, ৰক্ষণাবেক্ষণ, বা উপকাৰাৰ্থে আৱশ্যকীয় যুক্তিযুক্ত আৰু উচিত যি কোনো কাম কৰাৰ ক্ষমতা থাকিব কিন্তু অভিভাৱকে কোনোপধ্যে নাবালকক ব্যক্তিগত নিবন্ধনৰ দ্বাৰা আবদ্ধ কৰিব নোৱাৰিব ।

(২) আদালতৰ পূৰ্ব অনুমতি বিনা নৈসৰ্গিক অভিভাৱকে—

(ক) নাবালকৰ স্থাৱৰ সম্পত্তিৰ কোনো অংশ বন্ধক বা দায়গ্ৰস্ত নকৰিব বা বিক্ৰী, বা দান, সলনি বা আন কোনো প্ৰকাৰে হস্তান্তৰ নকৰিব, বা

(খ) পাঁচ বছৰৰ অধিক কালৰ বাবে বা যি তাৰিখত নাবালক সাবালকত্ব প্ৰাপ্ত হব সেই তাৰিখৰ পাৰহৈ এবছৰতকৈ অধিক কালৰ বাবে তেনে কোনো সম্পত্তিৰ কোনো অংশ লীজত (পট্টাত) নিদিব ।

(৩) উপধাৰা (১) বা উপধাৰা (২) ৰ উলঙ্ঘনক্ৰমে নৈসৰ্গিক অভিভাৱকে কৰা স্থাৱৰ সম্পত্তিৰ কোনো নিষ্পত্তিকৰণ নাবালক বা তেওঁৰ অধীনে দাবী কৰোতা কোনো ব্যক্তিৰ প্ৰেৰণাত বাতিলকৰণীয় হব ।

(৪) আৱশ্যকতা বা নাবালকৰ দেখ ভালৰ বাবে হোৱা ক্ষেত্ৰৰ ব্যতিৰেকে কোনো আদালতে কোনো নৈসৰ্গিক অভিভাৱকক উপধাৰা (২) ত উল্লিখিত কোনো কাম কৰিবলৈ অনুমতি নিদিব ।

(৫) উপধাৰা (২) ৰ অধীনে আদালতৰ অনুমতি পাবৰ বাবে কৰা দৰ্খাস্ত বা দৰ্খাস্তৰ বিষয়ত অভিভাৱক আৰু প্ৰতিপাল্য অধিনিয়ম, ১৮৯০ সৰ্ব্বপ্ৰকাৰে এনেভাৱে খাটিব যেন সেই দৰ্খাস্ত উক্ত অধিনিয়মৰ ধাৰা ২৯ ৰ অধীনত অনুমতি পাবৰ কাৰণে কৰা দৰ্খাস্তহে আৰু বিশেষত—

(ক) সেই দৰ্খাস্তৰ সম্বন্ধত কৰা কাৰ্যাৱলী সেই অধিনিয়মৰ অধীনে তাৰ ধাৰা ৪কৰ অৰ্থৰ ভিতৰত কৰা কাৰ্যৱলী বুলি পৰিগণিত হ'ব ;

(খ) আদালতে সেই অধিনিয়মৰ ধাৰা ৩১ ৰ উপধাৰা (২), (৩) আৰু (৪) ত বিনিৰ্দিষ্ট কৰা প্ৰণালী মানি চলিব আৰু ক্ষমতা সমূহ পাব ; আৰু

(গ) আদালতে নৈসৰ্গিক অভিভাৱকক উপধাৰা (২) ত উল্লিখিত কোনো কাৰ্য কৰিবৰ বাবে অনুমতি দিবলৈ অমান্তি হোৱা হুকুমৰ ওপৰত সেই আদালতৰ সিদ্ধান্তৰ পৰা সচৰাচৰে যি আদালতলৈ আপীল হয় তেনে আদালতলৈ আপীল বৰ্তিব ।

(৬) এই ধাৰাত 'আদালত' বুলিলে যি স্থাৱৰ সম্পত্তিৰ বাবদ দৰ্খাস্ত কৰা হয় সেই সম্পত্তি যাৰ স্থানীয় এলেকাৰ ভিতৰত অৱস্থিত সেই পৌৰ দেৱানী আদালত বা জিলা দেৱানী আদালত অথবা অভিভাৱক আৰু প্ৰতিপাল্য অধিনিয়ম, ১৮৯০ ৰ ৪ক ধাৰাৰ অধীনে ক্ষমতাৰ্পিত আদালতক ৰাজ্যৰ আৰু যি ক্ষেত্ৰত স্থাৱৰ সম্পত্তিটো একাধিক তেনে আদালতৰ স্হানীয় এলেকাৰ ভিতৰত অৱস্হিত তেনে ক্ষেত্ৰত যি আদালতৰ স্হানীয় এলেকাৰ ভিতৰত সম্পত্তিটোৰ যিকোনো অংশ অৱস্হিত তেনে আদালতক বুজাব ।

উইলৰ দ্বাৰা নিযুক্ত অভিভাৱক আৰু তেওঁলোকৰ ক্ষমতাৱলী ।

৯। (১) তেওঁৰ নাবালক বৈধ সন্তান সকলৰ নৈসৰ্গিক অভিভাৱক হিচাবে কাম কৰিবলৈ স্বত্বৱান এক হিন্দু পিতৃয়ে সিবিলাকৰ যি কোনোজনৰ বাবে নাবালকৰ শৰীৰ বা নাবালকৰ সম্পত্তি (ধাৰা ১২ ত উল্লিখিত অবিভক্ত স্বাৰ্থৰ বাহিৰে অন্য) ৰ বাবদ অথবা দুয়োটাৰে বাবদ উইলৰ দ্বাৰা এক অভিভাৱক নিযুক্ত কৰিব পাৰিব ।

(২) উপধাৰা (১) ৰ অধীনে দিয়া নিযুক্তিৰ কোনো কাৰ্যকাৰিতা নাথাকিব যদি পিতা মাতাতকৈ আগতে ঢুকায় কিন্তু যদি উইলৰ দ্বাৰা কোনো ব্যক্তিক অভিভাৱক নিযুক্ত নকৰাকৈ মাতা গৰাকীৰ মৃত্যু হয় তেন্তে সি পুনৰজীৱিত হব ।

(৩) তেওঁৰ নাবালক বৈধ সন্তানসকলৰ নৈসৰ্গিক অভিভাৱক হিচাবে কাম কৰিবলৈ স্বত্বৱান আৰু নৈসৰ্গিক অভিভাৱক হিচাবে কাম চলাবলৈ পিতা স্বত্বৰহিত হোৱাৰ হেতুকে তেওঁৰ নাবালক বৈধ সন্তানসকলৰ নৈসৰ্গিক অভিভাৱক হিচাবে কাম কৰিবলৈ স্বত্বৱান হোৱা হিন্দু বিধবাই সি বিলাকৰ যি কোনো জনৰ বাবে নাবালকৰ শৰীৰ বাবদ বা নাবালকৰ সম্পত্তি (ধাৰা ১২ ত উল্লিখিত অভিভক্ত স্বাৰ্থৰ বাহিৰে) ৰ বাবদ অথবা দুয়োটাৰ বাবদ উইলৰ দ্বাৰা এক অভিভাৱক নিযুক্তি কৰিব লাগিব ।

(৪) তেওঁৰ নাবালক অবৈধ সন্তানসকলৰ নৈসৰ্গিক অভিভাৱক হিচাবে কাম কৰিবলৈ স্বত্বৱান হিন্দু মাতৃয়ে সিঁবিলাকৰ যিকোনো জনৰ বাবে নাবালকৰ শৰীৰৰ কাৰণে নাইবা নাবালকৰ সম্পত্তিৰ বাবদ উইলৰ দ্বাৰা অভিভাৱক নিযুক্ত কৰিব পাৰিব ।

(৫) ক্ষেত্ৰ অনুযায়ী পিতা বা মাতাৰ মৃত্যুৰ পিচত নাবালকৰ অভিভাৱক হিচাবে কাম কৰিবলৈ আৰু এই অধিনিয়মত আৰু উইলত যেনে ভাবে নিৰ্দিষ্ট কৰা হয় সিমানখিনিলৈ আৰু যদি থাকে তেনে প্ৰতিবন্ধক সাপেক্ষে এই অধিনিয়মৰ অধীনত এজন নৈসৰ্গিক অভিভাৱকৰ সকলো অধিকাৰ ব্যৱহাৰ কৰিবলৈ তেনেভাবে উইলৰ দ্বাৰা নিযুক্ত অভিভাৱকৰ অধিকাৰ থাকিব ।

(৬) যিক্ষেত্ৰত নাবালক ছোৱালী হয়, তেনেক্ষেত্ৰত তেওঁৰ বিয়া হোৱাৰ লগে লগে তেনেভাবে উইলৰ দ্বাৰা নিযুক্ত অভিভাৱকৰ অধিকাৰ অন্ত পৰিব ।

সম্পত্তিৰ অভিভাৱক হিচাবে কাম কৰিবলৈ নাবালকৰ অক্ষমতা ।

১০। নাবালক ব্যক্তি কোনো নাবালকৰ সম্পত্তিৰ অভিভাৱক হিচাবে কাম কৰিবলৈ অক্ষম হ'ব ।

বস্তুত: অভিভাৱকে নাবালকৰ সম্পত্তি লেন দেন নকৰিব ।

১১। এই অধিনিয়মৰ প্ৰাৰম্ভৰ পিচত কোনো ব্যক্তি তেওঁ নাবালকৰ বস্তুতঃ অভিভাৱক কেৱল এই আধাৰত হিন্দু নাবালকৰ সম্পত্তি নিষ্পত্তিকৰণ কৰিবলৈ বা লেনদেন কৰিবলৈ স্বত্বৱান নহব ।

যৌথ পৰিয়ালৰ সম্পত্তিত নাবালকৰ অবিভক্ত স্বাৰ্থৰ বাবে কোনো অভিভাৱক নিযুক্ত নকৰিব ।

১২। যিক্ষেত্ৰত যৌথ পৰিয়ালৰ সম্পত্তিত নাবালকৰ অবিভক্ত স্বাৰ্থ থাকে আৰু সম্পত্তিত পৰিয়ালটোৰ এক নাবালক লোকৰ পৰিচালনাৰ অধীনত থাকে, তেন্তে অবিভক্ত স্বাৰ্থৰ বাবদ নাবালকৰ বাবে কোনো অভিভাৱক নিযুক্ত নকৰিব :

পৰন্তু এই ধাৰাৰ একোৱে তেনে স্বাৰ্থৰ বাবদ অভিভাৱক নিযুক্ত কৰাৰ ক্ষমতা প্ৰভাৱিত কৰা বুলি পৰিগণিত নহব ।

নাবালক এজনৰ কল্যাণেই সৰ্ব্বোচ্চ বিবেচনা হব।

১৩। (১) আদালতৰ দ্বাৰা কোনো এজন ব্যক্তিক হিন্দু নাবালকৰ অভিভাৱক নিযুক্তকৰণ বা ঘোষিতকৰণত নাবালক এজনৰ কল্যাণেই সৰ্বোচ্চ বিবেচনা হব ।

(২) যদি আদালতৰ মত এয়ে হয় যে পুৰুষেই হওক বা মহিলাই হওক এজন ব্যক্তিৰ অভিভাৱকত্ব নাবালকজনৰ কল্যাণৰ হকে নহব তেন্তে এই অধিনিয়মৰ উপবন্ধসমূহ অথবা হিন্দু সকলৰ ভিতৰত বিবাহৰ ক্ষেত্ৰত অভিভাৱকত্ব সম্পৰ্কীয় যিকোনো আইনৰ গুণে তেনে কোনো ব্যক্তি অভিভাৱকত্ব পাবলৈ স্বত্বৱান নহব ।

## হিন্দু নাবালকতা আৰু অভিভাৱকত্ব অধিনিয়ম, ১৯৫৬

## The Hindu Minority and Gaurdianship Act, 1956

### পৰিভাষা

### Glossary of Terms

| Sl. No. | Reference | English Terms | Assamese equivalent |
|---|---|---|---|
| 1. | Sec. 1 | Minority and Guarddian-ship | নাবালকতা আৰু অভিভাৱকত্ব |
| 2. | Sec. 2 | Supplemental | পৰিপূৰক । |
| 3. | Sec 3 (c) | Domiciled | অধিবাসিত । |
| 4. | Sec. 3 (c) (i) | Legitimate or illegitimate | বৈধ বা অবৈধ । |
| 5. | Sec. 3 (c) (ii) | Group | থুপ । |
| 6. | Sec. 4 (b) (i) | Natural guardian | নৈসৰ্গিক অভিভাৱক । |
| 7. | Sec. 6 (a) | Custody | জিম্মা । |
| 8. | Sec. 6 (b) | Step father and step mother | উপ পিতা আৰু মাহী আই । |
| 9. | Sec. 7 | Adopted son | তোলণীয়া পুত্ৰ । |
| 10. | Sec. 8 | Minor's estate | নাবালকৰ বিভূতি । |
| 11. | Sec. 8 (2) (a) | Immovable property | স্হাৱৰ সম্পত্তি । |
| 12. | Sec. 8 (2) (b) | Lease | লীজ । |
| 13. | Sec. 8 (3) | Voidable | বাতিলকৰণীয় । |
| 14. | Sec. 8 (6) | City civil Court | পৌৰ দেৱানী আদালত । |
| 15. | Sec. 9 | Testamentary guardian | উইলৰ দ্বাৰা নিযুক্ত অভি-ভাৱক । |
| 16. | Sec. 10 | Incapacity | অক্ষমতা । |
| 17. | Sec. 11 | De-facto | বস্তুত ঃ |
| 18. | Sec. 11 | Deal | লেনদেন । |
| 19. | Sec. 12 | Joint family | যৌথ পৰিয়াল । |
| 20. | Sec. 12 | Undivided | অবিভক্ত । |
| 20. | Sec. 13 | Welfare | কল্যাণ |
| 2.0 | Sec. 13 | Paramount consideration | সৰ্বোচ্চ বিবেচনা |